## খ-অংশ

# ধৰ ঝাড়ু ধৰ ভাই

অম্বিকাগিৰী ৰায়চৌধুৰী

ধৰ ঝাড়ু ধৰ ভাই!
আৰু চাবৰ সময় নাই—
চাই থাকোঁতে মুখত কেৱল
ভৰিল কাজল-ছাই।

সাতাম পুৰুষৰ
আহা! সোণৰ চোতাল ঘৰ
কত যুগৰ ভুঁহুৰ পৰি
আছে যে পোত খাই।

কৰিলিতো ইমান দিনে
পৰ গোলামি হীনে-ঘিণে—
পূজা দিলি পৰ চৰণত
জীৱন ঢালি ধাৰে-ঋণে —
হ'ল এৱে তোৰ সময় হ'বৰ
জাতিৰ ঝাড়ুদাৰ যে ভাই।

হিংসা-দ্বেষৰ, ভেদাভেদৰ,
ঘৃণা-ঘৃণি স্বাৰ্থ ভেমৰ
কত যে কি মলি-মামৰ

DAILY ASSAM

ভৰি জাতিৰ জীৱন যায়,—
ধৰ ঝাড়ু ধৰ ভাই
বীৰ-বেশেৰে ধৰ ঝাড়ু ধৰ
জাতিৰ জীৱন কৰ মনোহৰ
সাৰি-পুছি চুকে-কোণে
যত যি আছে জাহি-জাবৰ
নহ'লে যে বিশ্ব-সভাত
নহ'ব তোৰ বহাৰ ঠাই।

**কবি-পৰিচয় ঃ**

অম্বিকাগিৰী ৰায় চৌধুৰীৰ ১৮৮৫ চনত বৰপেটাত জন্ম হয়। তেওঁৰ পিতৃৰ নাম কৃষ্ণৰাম ৰায়চৌধুৰী। বৰপেটাত শিক্ষা আৰম্ভ কৰি গুৱাহাটীৰ সোণাৰাম হাইস্কুলত থাৰ্ড ক্লাছ পৰ্যন্ত পঢ়ে। তেওঁৰ গোটেই জীৱনটো ঘটনাবহুল। দেশৰ স্বাধীনতা উদ্ধাৰ আৰু সমৃদ্ধিৰ কাৰণে তেওঁ সন্ত্ৰাসবাদী দল, অসহযোগ আন্দোলন, অসম সংৰক্ষিণী আন্দোলন আদিত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। এইবোৰ কাৰণত তেওঁ কেইবাবাৰো কাৰাবৰণ কৰিব লগা হৈছিল। ১৯২১ চনত ৰায়চৌধুৰীদেৱক সশ্ৰম কাৰাদণ্ড বিহা হৈছিল। জেলৰ পায়খানা সাৰি চাফাই কৰা কাম তেওঁক দিয়া হৈছিল। এই কাম কৰোঁতে তেওঁ বাঢ়নী চলোৱাৰ লগে লগে এই 'ধৰ ঝাড়ু ধৰ ভাই' কবিতাটি ৰচনা কৰি গাই গৈছিল। নানা ঘাত-প্ৰতিঘাতৰ মাজতো তেওঁ সাহিত্য চৰ্চা কৰিবলৈ এৰা নাছিল।

১৯৫০ চনৰ অসম সাহিত্য সভাৰ মাৰ্ঘেৰিটা অধিৱেশনৰ তেওঁ সভাপতি আছিল। ১৯৬৭ চনত গুৱাহাটীত এইজনা বিপ্লৱী কবিৰ মৃত্যু হয়। তেওঁক 'অসম কেশৰী' আখ্যা দিয়া হৈছিল।

ৰায়চৌধুৰীদেৱৰ ৰচনাসমূহ হ'ল — 'বীণা', 'তুমি', 'আহুতি', অনুভুতি, 'ডেকা-ডেকেৰীৰ বেদ', 'বন্দো কি ছন্দেৰে', 'স্থাপন কৰ', 'জয়দ্ৰথ বধ', 'বেদনাৰ উল্কা', 'দেশেই ভগৱান' ইত্যাদি।

**পাঠবোধ ঃ**

ঝাড়ুৰে সাৰি-পুছি ঘৰ-দুৱাৰ চিকুণাই তোলাৰ দৰে আমাৰ মাজত থকা মলিস্বৰূপ পৰস্পৰ ভেদাভেদ, হিংসা-বিদ্বেষ, ঘৃণা আদি নাইকিয়া কৰি সকলোৱে একগোট হৈ দেশখনৰ হেৰুৱা স্বাধীনতা ঘূৰাই আনি বিশ্বৰ দৰবাৰত এখন উচ্চ স্থান অধিকাৰ কৰিবলৈ কবিয়ে সকলোকে আহ্বান জনাইছে। কবিতাটি দেশ পৰাধীন হৈ থকা সময়ত কবিয়ে আন্দোলন কৰি সশ্ৰম কাৰাদণ্ড খাটি পায়খানা চাফা কৰি থকা সময়ত ৰচনা কৰা।

**শব্দাৰ্থ ঃ**

কাজল-ছাই ঃ কলংক, পৰাধীনতা, কালিমা

সোণৰ চোতাল ঃ সোণ অতি মূল্যবান বস্তু। সোণৰ দৰেই মূল্যবান চোতাল এখন — যি ঐতিহ্যৰে ভৰপূৰ।

যুগৰ ভুহুঁৰ ঃ সময়ৰ তৰপে তৰপে গোট খাই থকা ভেৰণি। অৰ্থাৎ বহুদিন ধৰি গোট খাই থকা জাবৰ-জোঁথৰ, মলি ইত্যাদি, পৰাধীনতাৰ কালিমা।

গোলামি ঃ অধীনত থকা। আনৰ তলত থকা — য'ত নিজৰ কোনো ধৰণৰ স্বাধীনতা নাথাকে।

সাতাম পুৰুষীয়া ঃ সুপ্ৰাচীন, বহু পুৰুষৰ পৰা চলি অহা।

হিংসা-দ্বেষ ঃ পৰস্পৰৰ প্ৰতি হিংসা ভাব, খিয়লা-খিয়লি।

চুকে-কোণে ঃ অতি ভিতৰুৱা ঠাইত; সকলো ঠাইতে।

## প্ৰশ্নাৱলী

ভাব-বিষয়ক ঃ

১। অতি চমকৈ উত্তৰ দিয়া ঃ

(ক) অম্বিকাগিৰী ৰায়চৌধুৰীক কি আখ্যা দিয়া হৈছিল?

(খ) সাতামপুৰুষীয়া 'সোণৰ চোতাল-ঘৰ' কিহেৰে পোত খাই আছে বুলি কবিয়ে কৈছে?

(গ) জাতিৰ জীৱন মনোহৰ কৰিবলৈ কবিয়ে কি বেশেৰে ঝাড়ু ধৰিবলৈ কৈছে?

(ঘ) কবিয়ে চাই থাকোঁতে থাকোঁতে মুখ কিহেৰে ভৰি পৰিল বুলিছে?

২। 'হ'ল এৰে তোৰ সময় হ'বৰ
জাতিৰ ঝাড়ুদাৰ যে ভাই।'
— ইয়াত কবিয়ে কি কাৰণে 'জাতিৰ ঝাড়ুদাৰ' হোৱাৰ সময় হ'লহি বুলি সকীয়াই দিছে?

৩। 'নহ'লে যে বিশ্ব সভাত
নহ'ব তোৰ বহাৰ ঠাই।'
— বিশ্ব সভাত বহাৰ ঠাই পাবলৈ কবিয়ে কি কৰিবলৈ নিৰ্দেশ দিছে?

৪। 'ধৰ ঝাড়ু ধৰ ভাই' — কবিতাটিৰ মূলভাৱ লিখা।

৫। ব্যাখ্যা কৰা ঃ

(ক) হিংসা-দ্বেষৰ, ভেদাভেদৰ,
ঘৃণা-ঘৃণি স্বাৰ্থ ভেমৰ

কত যে কি মলি-মামৰ
ভৰি জাতিৰ জীৱন যায়।

(খ) ধৰ ঝাড়ু ধৰ ভাই।
আৰু চাবৰ সময় নাই —
চাই থাকোঁতে মুখত কেৱল
ভৰিল কাজল-ছাই।

৬। 'ধৰ ঝাড়ু ধৰ ভাই' — কবিতাটোৰ মাজেৰে কবি ৰায়চৌধুৰীদেৱৰ স্বদেশপ্ৰেমৰ ভাব কিদৰে প্ৰকাশ পাইছে লিখা।

**ভাষা-বিষয়ক ঃ**

১। তলত দিয়া যুৰীয়া শব্দবোৰেৰে একোটিকৈ বাক্য ৰচনা কৰা ঃ

(ক) হীনে-ঘিণে (খ) ধাৰে-ঋণে (গ) ঘৃণা-ঘৃণি
(ঘ) জাহি-জাবৰ (ঙ) সাৰি-পুছি (চ) মলি-মামৰ

২। তলৰ শব্দবোৰত মূৰ্ধন্য 'ণ' হোৱাৰ কাৰণ দৰ্শোৱা ঃ

(ক) সোণ (খ) ঘৃণা (গ) ঋণ

৩। বিপৰীত শব্দ লিখা ঃ

(ক) ঘৃণা (খ) স্বাৰ্থ (গ) জীৱন (ঘ) বীৰ।

● ● ●